# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজ্যৰ চাৰিটা স্থানত সংকুচিত জৈৱ গেছ প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২।	ৰাজ্যৰ প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে কাইলৈ ৰাজ্যত ২১ খন সম-জিলা মুকলি।

৩।	আজিৰ পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ নৱৰাত্ৰি পূজা আৰম্ভ।

**আৰু**

৪।	শ্বাৰজাহত আজিৰ পৰা মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ।

০০০০০০০

স্বচ্ছ ভাৰত অভিযানে দেশ তথা সমাজলৈ যথেষ্ট ইতিবাচক পৰিৱৰ্তন অনাৰ লগতে নিয়োগ সৃষ্টিতো সহায় কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ বিজ্ঞান ভৱনত **স্বচ্ছতা হী সেৱা ২০২৪** ৰ এটা কাৰ্যসূচীত অংশ লৈ এই মন্তব্য কৰে। লগতে চৰকাৰে এই অভিযানৰ অধীনত ৰূপায়ণ তথা পৰিকল্পনা কৰি থকা বিভিন্ন দিশ সন্দৰ্ভত আলোকপাত কৰাৰ উপৰি শ্ৰীমোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে অসমকে ধৰি কেইবাখনো ৰাজ্যত স্থাপিত ৩৩টা সংকুচিত জৈৱ গেছ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ কয়-

-ভইচ কাষ্ট **মোদী-**

ইপিনে, গুৱাহাটী, যোৰহাট আৰু তিনিচুকীয়াৰ সমান্তৰালকৈ শিৱসাগৰতো কালি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন কৰা সংকুচিত জৈৱ গেছ প্ৰকল্প সন্দৰ্ভত অইল ইণ্ডিয়া লিমিটেডৰ সহ প্ৰৱন্ধক ৰাজীৱ কুমাৰ তামুলীয়ে এইদৰে কয়-

-ভইচ কাষ্ট-

০০০০০০০

ৰাজ্যৰ প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে ২১ খন জিলাত ৩৯ খন সম-জিলা কাইলৈ আৰু পৰহিলৈ পৰ্যায়ক্ৰমে উদ্বোধন কৰা হ'ব। সেই অনুসৰি কাইলৈ ২১ খন সম-জিলা আনুষ্ঠানিকভাৱে মুকলি কৰাৰ লগতে ৫ অক্টোবৰত ১৮ খন সম-জিলাক মৰ্যাদা প্ৰদান কৰা হ'ব। ইয়াৰ পূৰ্বে এই সম্পৰ্কীয় জাননীখনত কোৱা হৈছিল যে ধুবুৰী জিলাৰ বিলাসীপাৰা আৰু গোলকগঞ্জক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। বঙাইগাঁৱৰ অভয়াপুৰীক, কামৰূপ জিলাৰ ৰঙিয়াক, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সমজিলা হিচাপে

ঘোষণা কৰা হৈছে। একেদৰে বিশ্বনাথৰ গহপুৰ আৰু বিহালীক, লখিমপুৰ জিলাৰ ঢকুৱাখানাক, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া সম-জিলা হ'ব। শিৱসাগৰৰ নাজিৰা আৰু ডিমৌক, যোৰহাটৰ তিতাবৰক সম-জিলাৰ মৰ্যাদা দিয়া হৈছে। গোলাঘাট জিলাৰ বোকাখাট, সৰুপথাৰ আৰু ডেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ, গোৱালপাৰা জিলাৰ পশ্চিম গোৱালপাৰা সম-জিলা হ'ব। কামৰূপ মেট্ৰ'ৰ দিছপুৰ, নিউ-গুৱাহাটী আৰু ডিমৰীয়াক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁওক, মৰিগাঁও জিলাৰ জাগীৰোড আৰু লাহৰীঘাটক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। হোজাই জিলাৰ লামডিং, শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নদুৱাৰক সমজিলা হিচাপে ঘোষণা কৰা হৈছে। ডিব্ৰুগড় জিলাৰ খোৱাং, দুলিয়াজান আৰু তিংখঙক সমজিলাৰ স্বীকৃতি দিয়া হৈছে। চৰাইদেউ জিলাৰ মাহমৰা আৰু কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সমজিলা হিচাপে ঘোষণা কৰা হৈছে।

০০০০০০০

ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ নগৰৰ বৰপুখুৰীৰ চৌপাশ সৌন্দৰ্যবৰ্ধনৰ বাবে এক অভিলাষী প্ৰকল্প গ্ৰহণ কৰা হৈছে। শিৱসাগৰৰ বিধায়ক অখিল গগৈ কালি এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ২০ কোটি ১৩ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰকল্পৰ অধীনত শিৱসাগৰ নগৰৰ দৌলমুখ চাৰিআলিৰ পৰা নগৰখন নতুন ৰূপত সজাই তোলা হ'ব। তদুপৰি বৰপুখুৰীৰ চাৰিওটা পাৰৰ দেৱাল, পথ নিৰ্মাণৰ লগতে সৌন্দৰ্যবৰ্ধনৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে। এই বিষয়ে আমাক অধিক তথ্য জনাব শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে-

**-ভইচ কাষ্ট-**

০০০০০০০০০০০০০০০০

দেৱী দুৰ্গাক আৰাধনাৰ বাবে আজি শুক্লা প্ৰতিপদৰ পৰা ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে নৱৰাত্ৰি পূজা আৰম্ভ হৈছে। নৱৰাত্ৰিৰ সময়ত ভক্তসকলে দেৱী দুৰ্গাৰ ৯টা ৰূপক পূজা-অৰ্চনা কৰে। প্ৰথম দিনা শৈলপুত্ৰী হিচাপে মা দুৰ্গাক আৰাধনা কৰা হয়। ইয়াৰ পাছত ক্ৰমান্বয়ে ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ড, স্কন্দমাতা, কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। আনহাতে মহাষষ্ঠীৰ সন্ধিয়া বেলবৰণ কৰাৰ পাছতে সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত পূজা কৰাৰ পাছত দশমীত দেৱীক বিসৰ্জন দিয়া হ'ব। এইবাৰ দেৱীৰ দোলাত আগমন হৈছে আৰু ঘোঁৰাৰে গমন কৰিব। দুৰ্গা পূজাৰ উপলক্ষে বিভিন্ন ঠাইৰ পূজা-মণ্ডপসমূহ কাৰিকৰসকলে আটক ধুনীয়াকৈ সজাই তুলিছে। আনহাতে, বজাৰসমূহো পূজাৰ বাবে বিভিন্ন ধৰণৰ সাজ-পাৰকে ধৰি অন্যান্য সামগ্ৰীৰে ভৰি পৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে ৰাজ্যৰ থানাসমূহত থানা পৰ্যায়ৰ নাগৰিক সমিতি নতুনকৈ গঠন কৰা হৈছে। বৰপেটা সদৰ আৰক্ষী থানাতো নতুনকৈ গঠন কৰা নাগৰিক সমিতিৰ প্ৰথমখন বৈঠক কালি অনুষ্ঠিত হয়। বৰপেটা আইন মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত ৰাজ্যত ভয়াৱহভাৱে বৃদ্ধি পোৱা ড্ৰাগছৰ প্ৰচলন, বাল্য বিবাহ, যুৱ উচ্ছৃংখলতা আদি সামাজিক সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই বৈঠকত বৰপেটাৰ বিধায়ক আব্দুৰ ৰহিম আহমেদ, বৰপেটা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসহ বহুসংখ্যক স্থানীয় লোক উপস্থিত থাকে।

0000000

জন্মগতভাৱে হৃদপিণ্ডৰ জটিল ৰোগত আক্ৰান্ত ১৮ বছৰ অনূৰ্ধৰ ৰাজ্যৰ ১৪ টি শিশুক কালি উন্নত চিকিৎসাৰ  বাবে বাংগালুৰু আৰু মুম্বাইৰ নাৰায়ণা হৃদয়ালয়লৈ প্ৰেৰণ কৰা হৈছে। মন্ত্ৰী কেশৱ মহন্তই কালি ৰাওনা হোৱাৰ পূৰ্বে শিশুকেইটিক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সাক্ষাৎ কৰে। তেওঁ কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰিকল্পনা মৰ্মে হৃদপিণ্ডৰ জন্মগত বিসংগতি থকা শিশুসকলক চৰকাৰে নাৰায়ণা হৃদয়ালয়ত উন্নত চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰি আহিছে। ইয়াৰ বাবে যোৱা ১ ছেপ্তেম্বৰৰ পৰা ১০ চেপ্তেম্বৰলৈ ৰাজ্যজুৰি ৰোগ চিনাক্তকৰণ শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰসমূহত ৰোগ চিনাক্ত হোৱা শিশুসকলক পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে নাৰায়ণা হৃদয়ালয়লৈ প্ৰেৰণ কৰা হব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

0000000

ৰাজ্য চৰকাৰৰ আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ অধীনত আবেদন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ৯৮২ গৰাকীৰ বেংক একাউণ্টৰ তথ্যত বিসংগতি ধৰা পৰিছে। সেয়েহে মাধ্যমিক শিক্ষা সঞ্চালকে শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকলক এই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে যোগাযোগ কৰি ৫ অক্টোবৰৰ ভিতৰত বেংক একাউণ্টৰ শুদ্ধ তথ্যসহ নতুনকৈ আবেদন দাখিল কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাটোত লগতে উল্লেখ কৰা হৈছে যে ২০২৪ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা মুঠ ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থী আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ বাবে যোগ্য বিবেচিত হৈছিল।

0000000

ভাৰত ভ্ৰমণলৈ যোৱা অসমৰ ৪৯ গৰাকী তীৰ্থযাত্ৰীৰ দল এটা দ্বাৰকা ৰে'ল ষ্টেচনৰ সমীপৰ ভাৰত সেৱাশ্ৰম সংঘত আবদ্ধ হৈ আছে। বজালী জিলাৰ সদৰ পাঠশালাৰ পৰা এই তীৰ্থযাত্ৰীসকল যোৱা ২৩ ছেপ্তেম্বৰত দ্বাৰকালৈ গৈছিল। দ্বাৰকাৰ বিভিন্ন ঠাই দৰ্শনৰ মাজতে তীৰ্থযাত্ৰীসকলৰ কেইবাগৰাকীও খাদ্য বিষক্ৰিয়াত আক্ৰান্ত হয়। ফলত তেওঁলোকৰ ১২ গৰাকী লোক অসুস্থ হৈ পৰাৰ লগতে ইয়াৰে এজনৰ মৃত্যু হয়। মৃত লোকজন বজালীৰ ছৈবাৰী গাঁৱৰ উদ্ধৱ দাস বুলি জানিব পৰা গৈছে।

0000000

ৰাজ্যৰ ৮ বিধ সামগ্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত বস্ত্ৰ আৰ'নাই আৰু পৰম্পৰাগত পানীয় জৌ গৈৰান, মাইব্ৰা জৌ বিদৈ, জৌ গিচি, শুকান মাছৰ পৰা প্ৰস্তুত কৰা জনগোষ্ঠীয় খাদ্য বড়ো নাফামা আৰু বড়োসকলৰ পৰম্পৰাগত খাদ্য অণ্ডলা বড়ো গৌখা আৰু বড়ো নাৰ্জিলৈ ভাৰত চৰকাৰৰ এই স্বীকৃতি আগবঢ়োৱা হৈছে।

0000000

ৰাজ্য চৰকাৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি কৰিমগঞ্জ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে জিলাখনত কৰ্মৰত চিকিৎসকসকলক কৰ্তব্যৰ সময়ত ব্যক্তিগত চিকিৎসা আগবঢ়োৱাৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিছে। যুটীয়া সঞ্চালকগৰাকীয়ে লগতে জনায় যে কৰিমগঞ্জ জিলাৰ সকলো ব্যক্তিগত চিকিৎসা প্ৰতিষ্ঠানে তেওঁলোকৰ প্ৰতিষ্ঠানত কৰ্মৰত চৰকাৰী চিকিৎসকৰ পৰা চৰকাৰী কৰ্তব্যৰ সময়ত সেৱা গ্ৰহণ নকৰে বুলি স্পষ্ট কৰি দিব লাগিব। এই নিৰ্দেশনা উলংঘা কৰিলে আইন অনুসৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ লগতে উল্লেখ কৰে।

০০০০০০০

মাজুলীৰ আউনীআটী সত্ৰৰ বেতৰ বিছনীৰ ঔদ্যোগিকীকৰণৰ লক্ষ্যৰে স্বেচ্ছাসেৱী সংগঠন মাজুলীৰ সাহিত্যৰ উদ্যোগত কালি এটা স্থায়ী প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন কৰা হয়। মাজুলী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে কেন্দ্ৰটো উদ্বোধন কৰি বেতৰ বিছনীৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব আৰোপ কৰে। মাজুলীৰ সাহিত্যৰ উদ্যোগত গঠন কৰা হস্তশিল্প উন্নয়ন সমিতি, আউনীআটীয়ে কেন্দ্ৰটি পৰিচালনা কৰিব আৰু ইয়াত বেতৰ বিছনী প্ৰস্তুত কৰাৰ লগতে অন্যান্য হস্তশিল্পৰ প্ৰশিক্ষণ, উৎপাদন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০০

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ শ্বাৰজাহত আজি আইচিচি মহিলা টি-২০ বিশ্বকাপৰ নৱম সংস্কৰণ আৰম্ভ হ'ব। উদ্বোধনী খেলখনত বাংলাদেশ নৱাগত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কাইলৈ নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব। এই মাহৰ ২০ তাৰিখলৈ চলিবলগীয়া প্ৰতিযোগিতাত মুঠ দহটা দলে অংশগ্ৰহণ কৰিব। ভাৰত আৰু পাকিস্তানৰ মাজৰ খেলখন অহা দেওবাৰে অনুষ্ঠিত হ'ব।

শেহতীয়া তিনিওবাৰেই টি-২০ বিশ্বকাপ জয় কৰা ডিফেণ্ডিং চেম্পিয়ন অষ্ট্ৰেলিয়াৰ লগতে ভাৰত, নিউজিলেণ্ড, পাকিস্তান আৰু শ্ৰীলংকাক গ্ৰুপ-এত ৰখাৰ বিপৰীতে গ্ৰুপ বি-ত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজক ৰখা হৈছে ।

মঙলবাৰে, ভাৰতীয় মহিলা দলে দক্ষিণ আফ্ৰিকাক ২৮ ৰাণত পৰাস্ত কৰি ৱাৰ্ম-আপ মেচত একেৰাহে দ্বিতীয়টো জয় লাভ কৰে। ইয়াৰ পূৰ্বে, ভাৰতে ৱেষ্ট ইণ্ডিজক প্ৰথমখন ৱাৰ্ম-আপ মেচত ২০ ৰাণত পৰাস্ত কৰিছিল।

০০০০০০০

গুৱাহাটীত অহা ১৮ৰ পৰা ২০ অক্টোবৰলৈ আন্তঃজিলা মল্লযুঁজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অসম মল্লযুঁজ সন্থাৰ কালি গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কাৰ্যালয়ত অনুষ্ঠিত কাৰ্য নিৰ্বাহক সভাত এই বিষয়ে প্ৰকাশ কৰে। এই সভাতে অসমৰ খেলুৱৈসকলৰ উন্নত প্ৰশিক্ষণ তথা উদীয়মান মল্লযুঁজাৰুসকলৰ ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে কেইবাটাও সিদ্ধান্ত লোৱা হয়। সভাত অসম অলিম্পিক সন্থাৰ নৱ-নিৰ্বাচিত সম্পাদক লক্ষ্য কোঁৱৰক অভিনন্দন আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

০০০০০০০

লেবননত ইজৰাইলে চলাই থকা ধাৰাবাহিক আক্ৰমণৰ মাজতে ইৰাণে পৰহি নিশা ইজৰাইলত দুই-শতাধিক ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলোৱা বাতৰি গুৱাহাটীৰ পৰা প্ৰকাশিত বহুকেইখন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে ইজৰাইলত আক্ৰমণ ইৰাণৰ, **দৈনিক জনমভূমি** কাকতে তৃতীয় বিশ্বযুদ্ধৰ আশংকা ঘণীভূত, **দি আছাম ট্ৰিবিউন** কাকতে Israeli raid on Southern Gaza kills 51 শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত স্থান দিছে। **আমাৰ অসম** কাকতেও এই বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উৎসৱৰ বতৰত বজাৰত মূল্যবৃদ্ধি আৰু অসাধু ব্যৱসায়ী চক্ৰই সামগ্ৰীৰ দৰ নিয়ন্ত্ৰণহীনতাৰ সুযোগ লোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে দশোদিশে পূজাৰ ৰং, বজাৰত জনতাৰ খং শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে।

বড়ো জনগোষ্ঠীৰ আৰনাইকে ধৰি ৰাজ্যৰ ৮বিধ সামগ্ৰীলৈ জি আই টেগ প্ৰদানৰ বাতৰি **দ্য ছেন্টিনেল** কাকতকে ধৰি প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মহালয়াৰ পুৱাই কটন বিশ্ববিদ্যালয় প্ৰশাসনিক অধীক্ষক ধ্ৰুৱজ্যোতি বৰ্মনৰ ৰহস্যজনক মৃত্যুৰ বাতৰি **অসমীয়া খবৰ** কাকতে মহালয়াৰ পুৱাই কটন বিশ্ববিদ্যালয়ৰ অধীক্ষকক মৰিয়াই হত্যা ট্ৰাক চালকৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। **অসমীয়া প্ৰতিদিন** কাকতেও এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

অৰুণাচল প্ৰদেশৰ পাহাৰত শেহতীয়াকৈ ভাৰতীয় সেনাবাহিনীয়ে যুদ্ধাভ্যাস ক্ষেত্ৰ স্থাপন কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে চীনৰ আগ্ৰাসনক লৈ উদ্বীগ্ন ভাৰতীয় সেনাবাহিনীয়েও সষ্টম হৈছে সীমান্তত শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে মহালয়াত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক সমাগম-উচাহ, প্ৰব্ৰজন অব্যাহত, দুমাহতে আটক ১০৮ বাংলাদেশী অনুপ্ৰবেশকাৰী ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ’ল’ কৰিব পাৰে।

০০০০০০০

সমাপ্ত